3 (Sem–2) ASM

Bijni College Library
P.O.-Bijni, Dist.-Chirang
(B.T.A.D) Assam

2 0 1 3

# ASSAMESE

## ( Modern Indian Language )

*Full Marks* : 60

*Time* : 2½ hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমু উত্তৰ লিখাঁ : ১×৭=৭

(ক) "এ বাপ মোত পৰে নৰাধম পশু নাপালো বিচাৰি।" কথাষাৰৰ বক্তা কোন?

(খ) প্রদ্যুম্ন কোন?

(গ) 'নগঞ্জা দ্রোহী লোকৰ চৰিত্র বৰ্ণন' প্রবন্ধটি পোনতে ক'ত প্রকাশিত হৈছিল?

(ঘ) লম্বোদৰ বৰাৰ দৃষ্টিত অসমীয়া মানুহৰ সুখৰ কাৰণ কি?

(ঙ) নিৰানন্দনাশী মহামন্ত্র কি?

(চ) 'নামঘোষা'ৰ কোনটো খণ্ডক প্রবন্ধকাৰে 'অতি ৰহস্যময়' বুলি অভিহিত কৰিছে?

(ছ) মণিৰাম দেৱানক ফাঁচীৰ হুকুম কোনে দিছিল?

Bijni College Library
P.O.-Bijni, Dist.-Chirang
(B.T.A.D.) Assam

২। চমু টোকা লিখা : ২×৪=৮

(ক) কথা গুৰুচৰিত

(খ) নিধি লিবাই ফাৰোৱেল

(গ) বাণীকান্ত কাকতি

(ঘ) মহেশ্বৰ নেওগ

৩। ব্যাখ্যা লিখাঁ (যি কোনো তিনিছোৱা) : ৫×৩=১৫

(ক) "হে শ্ৰীমন্ত মেঘ, তঞি জানো অৱশ্যে কৃষ্ণৰ প্ৰিয় হৈবি, জাতো আমি হেন তাহাঙ্ক প্ৰেমে ধ্যান কৰস। এতেকে তাহাঙ্ক সুমৰি লোতক এৰস। যদি এহ্য় হয়, তেবে তঞো আমাৰ সম দুখ পাইবি।"

(খ) ছোট আতা বোলে, আগে জি কৰিলো : বৰভূঞা বিসই মানি : এতিয়া জি কৰিচো অভয় পাদ-পঙ্কজত বিক্ৰই জীৱ কৰি গুৰু মানি॥

(গ) এই দুই শ্ৰেণী মানুহৰ ভিতৰত প্ৰথম শ্ৰেণীৰ বিলাক অধম আৰু শেষৰ শ্ৰেণীৰ বিলাক উত্তম।

(ঘ) কিন্তু মাধৱদেৱৰ নামৰ আগত লগোৱা প্ৰিয় বিশেষণ শব্দ হয় 'দীন', নহয় 'মূৰুখমতি'।

(ঙ) সাহিত্যই জগৎ-সৌন্দৰ্যৰ ফালে আমাক বাট দেখুৱাই লৈ যায় ; এই বাট দেখুৱাই লৈ যাব পৰাতেই সাহিত্যৰ সৃষ্টি-শক্তিৰ পৰিচয়।

৪। তলৰ যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখাঁ : ১০×৩=৩০

(ক) 'সংক্ষেপে কৃষ্ণলীলা' পাঠৰ আধাৰত শ্ৰীকৃষ্ণৰ চৰিত্ৰ বিশ্লেষণ কৰাঁ।

(খ) 'গুৰু-শিষ্যৰ মণি-কাঞ্চন সংযোগ' পাঠৰ আধাৰত মাধৱদেৱে কৰা কাৰ্যসমূহৰ বিৱৰণ দাঙি ধৰাঁ।

(গ) জীৱনৰ অমিয়া পান কৰিব বিচাৰিলে কি কি গুণ আয়ত্ত কৰিব লাগিব—নিৰ্দিষ্ট পাঠৰ আধাৰত বিৱৰি লিখাঁ।

(ঘ) 'ৰসময়ী ভকতি'ৰ ধাৰা কেতিয়াবা কৃষ্ণ মহিমা, কেতিয়াবা গুৰু কৃপা আৰু কেতিয়াবা আত্ম-গ্লানি আদি নানান প্ৰবাহত জলপ্ৰপাতৰ দৰে অবিৰাম সোঁতত ব'ব লাগিছে। কথাষাৰিৰ তাৎপৰ্য বিচাৰ কৰাঁ।

(ঙ) স্বাধীনতা সংগ্ৰামী মণিৰাম দেৱানৰ বিষয়ে পাঠ্যপুথিৰ নিৰ্দিষ্ট পাঠৰ আলমত এটি টোকা প্ৰস্তুত কৰাঁ।

(চ) সাহিত্য আৰু আৰ্ট সম্বন্ধে মহেশ্বৰ নেওগে কেনে মতামত আগবঢ়াইছে, উদাহৰণসহ বৰ্ণনা কৰাঁ।

★★★